**Series BRH**

**Code No. 15**

Candidates must write the Code on the title page of the answer-book.

Roll No. | | | | | | | |

- Please check that this question paper contains **11** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **8** questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minutes time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# SUMMATIVE ASSESSMENT – II

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘণ্টা* *সৰ্বমোট নম্বৰ : 80*

*Time allowed : 3 hours* *Maximum Marks : 80*

## SECTION A

**1.** তলৰ অনুচ্ছেদ কেইটাৰ আলমত প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(ক) উদ্যোগী পুৰুষৰ অন্তৰ সিংহৰ দৰে অসীম শক্তিৰ ভাণ্ডাৰ । উৎসাহ, উদ্যম, অনুপ্ৰেৰণা আৰু একাগ্ৰতা তেওঁলোকৰ অন্তৰৰ অযুত সম্বল । তেওঁলোকে অসীম কাৰ্য্যপ্ৰতিভা, বিচক্ষণ বুদ্ধি আৰু অধ্যৱসায়েৰে কৰ্মত আত্মানিয়োগ কৰে । সেইবাবে তেওঁলোক লক্ষ্মীৰ বৰপুত্ৰ হৈ অতুল ঐশ্বৰ্য্য-বিভূতিৰ গৰাকী হয় । আনহাতে তেওঁলোকে অধ্যৱসায়ৰ বলত মেধা-শক্তি আৰু প্ৰতিভা বিকাশৰ ক্ষেত্ৰতো কৃতকাৰ্য্যতা লাভ কৰি শিক্ষাৰ গৰাকী হৈ গুণী আৰু জ্ঞানী হয়, গতিকে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীও সন্তুষ্ট হৈ বিদ্যা দান কৰি বিদ্যাৰ গৰাকী কৰি তোলে । গতিকে তেওঁলোকে ধন-সম্পদ আৰু বিদ্যা দুয়োটাৰে অধিকাৰী হৈ সৰ্বাঙ্গসুন্দৰ জীৱন যাপন কৰিবলৈ সমৰ্থ হয় ।

প্ৰশ্ন :

(i) উদ্যোগী পুৰুষৰ অন্তৰ কেনে ? *2*

(ii) তেওঁলোকৰ অন্তৰৰ অযুত সম্বল কি ? *2*

(iii) কোনে বিদ্যাদান কৰি উদ্যোগী পুৰুষক বিদ্যাৰ গৰাকী কৰে ? *2*

(iv) সৰ্বাঙ্গসুন্দৰ জীৱন যাপন কৰিবলৈ কোন সক্ষম হয় ? *2*

(v) উদ্যোগী পুৰুষে কামত কিদৰে আত্মনিয়োগ কৰে ? *2*

(vi) মেধা-শক্তি আৰু প্ৰতিভা বিকাশৰ ক্ষেত্ৰতো উদ্যোগী পুৰুষে কেনেকৈ কৃতকাৰ্য্যতা লাভ কৰে ? *2*

তলৰ ইঙ্গিত সমূহৰ আলমত দুশটামান শব্দত সাধু এটা জুগুতাই তাৰ শিৰোনামা দিয়া আৰু কি নীতিশিক্ষা পালা উল্লেখ কৰা :

________ বিল এটাৰ পাৰত চৰি থকা হাতী এটা ________ ভোকাতুৰ শিয়াল এটা উপস্থিত ________ হাতীৰ মঙহ খোৱাৰ লোভ লাগিল ________ বুদ্ধি এটা পাঙিলে আৰু ক'লে "গজৰাজ, বনৰ পশুবোৰে আপোনাক ৰজা পাতিবলৈ নিমন্ত্ৰণ কৰিছে" ________ হাতী সন্মত হ'ল ________ শিয়ালে আকৌ ক'লে, "যোৱাৰ আগতে গা ধুই পৰিস্কাৰ হৈ লওঁক" ________ গা ধুবলৈ হাতী বিলত নামিল ________ এবুকু বোকাত পোত গৈ লৰচৰ কৰিব নোৱাৰা হ'ল ________ জাপ মাৰি পিঠিত উঠি শিয়ালে পেট ভৰাই মঙহ খালে ।

**3.** তুমি ভ্ৰমণ কৰা চহৰ এখনৰ বৰ্ণনা কৰি বাইদেউৰালৈ এখনি চিঠি লিখা । *5*

নাইবা

তলৰ ফকৰা-যোজনা এটাৰ অৰ্থ মুকলি কৰা :

(ক) হাতীৰো পিচলে পাৱ, সজ্জনৰো বুৰে নাৱ ।

(খ) চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপী ।

**SECTION C**

**4.** (i) সঠিক উত্তৰ বাছি উলিওৱা : *1×4=4*

(ক) যি নিয়ম মতে খৰচ নকৰে –

(অ) দেউলীয়া

(আ) খৰচী

(ই) অমিতব্যয়ী

(খ) যি একো নাজানে –

(অ) অজ্ঞ

(আ) অজ্ঞানী

(ই) দুৰ্মতি

(গ) যাক ভেদ কৰিব নোৱাৰি –

(অ) সুচীভেদ্য

(আ) বিভেদ

(ই) অভেদ্য

(ঘ) যাৰ পত্নীৰ মৃত্যু হৈছে –

(অ) বৰলা

(আ) বিপত্নীক

(ই) মাওৰা

(ii) বিপৰীতাৰ্থক শুদ্ধ উত্তৰ বাছি উলিওৱা : *1×4=4*

(ক) ভদ্র –

(অ) সসভ্য

(আ) অসুৰ

(ই) অভদ্র

(খ) ভীৰু –

(অ) দুৰ্বল

(আ) নিৰ্ভীক

(ই) ভয়াতুৰ

(গ) প্ৰাচ্য –

(অ) পাশ্চাত্য

(আ) পূব

(ই) দক্ষিণ

(ঘ) হিংসা –

(অ) ক্ষমা

(আ) অহিংসা

(ই) শান্তি

(iii) তলৰ অশুদ্ধ বাক্যকেইটা শুদ্ধ কৰা : *1×3=3*

(ক) তেওঁ যোৱাকালি দিল্লীক গৈছে ।

(খ) মই, তেওঁ আৰু উমা থিয়েটাৰ চাব গৈছিলো ।

(গ) নদীত পদুম ফুটি জলমলাই আছে ।

(iv) তলৰ প্ৰত্যয় কেইটাৰ শুদ্ধ ৰূপ বাছি উলিওৱা : *1×4=4*

(ক) ভদীয়া –

(অ) ভাদ্ৰ+অদীয়া

(আ) ভাদ+ইয়া

(ই) ভাদ+ঈয়া

(খ) মাহতলী –

(অ) মাহ্+তলী

(আ) মহ্+তলী

(ই) মাহ্+অতলী

(গ) নোমাল –

(অ) নোম+আল

(আ) নোম+ওল

(ই) নো+ওমাল

(ঘ) কামিলা –

(অ) কাম+ঈলা

(আ) কাম+এলা

(ই) কাম+ইলা

## SECTION D

5. (i) তলৰ কথাফাকিৰ তাৎপৰ্য্য বুজাই লিখা : *5*

“এই দেশ ৰাখিব লাগিব

এইখন আপোনাৰ দেশ,

এইখন মৰমৰ দেশ,

এইখন মানুহৰ দেশ ।”

নাইবা

‘আমাৰ নিয়ম’ কবিতাত মানুহ আৰু প্ৰকৃতিৰ নিয়মৰ পাৰ্থক্য কেনেকৈ প্ৰকট হৈছে বিচাৰ কৰা ।

(ii) শুদ্ধ উত্তৰ বাছি উলিওৱা : *1×4=4*

(ক) ‘দস্যুদল দুৱাৰ দলিত’ – দস্যুদলে কাক বুজাইছে ?

(অ) প্ৰবজনকাৰীক

(আ) বহিৰাগতক

(ই) আক্ৰমণকাৰীক

(খ) অসমীয়া ৰোমাণ্টিক যুগৰ সৰ্বশেষ কবি কোন ?

(অ) নৱকান্ত বৰুৱা

(আ) মহেন্দ্ৰ বৰা

(ই) দেৱকান্ত বৰুৱা

(গ) দুৰ্গেশ্বৰ শৰ্মাই স্থায়ী ভাবে ক'ত বাস কৰিছিল ?

(অ) যোৰহাটত

(আ) গুৱাহাটীত

(ই) শিৱসাগৰত

(ঘ) ভাৰতৰ মানুহে ক'ত ওঙ্কাৰ ধাম সাজিছিল ?

(অ) বাংলাদেশত

(আ) নেপালত

(ই) কম্বোজত

(iii) (ক) অৰ্থ লিখা – $\frac{1}{2} \times 4 = 2$

(অ) বিৰাজিত

(আ) ধৰা

(ই) আৰাও

(ঈ) পৰাভৱ

(খ) চমুটোকা লিখা (দুটাৰ) : $2 \times 2 = 4$

(অ) দুৰ্গেশ্বৰ শৰ্মা

(আ) হলদিঘাট

(ই) বালীবধ

**6.** (i) তলৰ এফাকি ব্যাখ্যা কৰা :

(ক) "নামটো ভাল, তথাপি মই তোমাৰ নাম দিম কল্যাণী ।"

(খ) এই শিল্পটোৰ ঐতিহ্য আৰু পৰম্পৰা যে অতি পুৰণি সেই সম্পৰ্কে কোনো দ্বিমত নাই ।

(ii) (ক) অসমীয়া সংস্কৃতিত কাঁহ শিল্পৰ ভূমিকা সম্পৰ্কে এটি টোকা লিখা । *4*

(খ) চমুটোকা লিখা (এটা বা দুটা বাক্যত) : *2*

(অ) ৰজত

(আ) সৰ্থেবাৰী

**7.** শুদ্ধ উত্তৰ বাছি উলিওৱা : *1×4=4*

(ক) ভঙা কাঁহ জুইত গলাবলৈ ব্যৱহাৰ কৰা মাটিৰ পাত্ৰটোৰ নাম কি ?

(অ) কুন্দা

(আ) আফৰ

(ই) মুহী

(খ) কনকাৰ চমু নামটো কি ?

(অ) নিতু

(আ) নিনা

(ই) কন

(গ) ৰাইজ মেলত যোগ দি কোনে হাজোতত থাকিবলগা হৈছিল ?

(অ) নবীন কঁহাৰ

(আ) পুষ্পৰাম কঁহাৰ

(ই) জীউধন কঁহাৰ

(ঘ) স্নেহ দেৱীয়ে পোনতে কি আলোচনীত গল্প লিখীছল ?

(অ) আৱাহন

(আ) ৰামধেনু

(ই) নৱযুগ

8. (i) চমুটোকা লিখা (এটাৰ) : 2

(ক) সৌৰভ

(খ) জিলমিল

(ii) প্ৰতিটো প্ৰশ্নৰ উত্তৰ একোটা বাক্যত লিখা : $1 \times 3 = 3$

(ক) আচৰিত ধৰণে প্ৰেৰণাৰ ইচ্ছা পূৰণ হ'ল – কি কাৰ্য্যৰে পূৰণ হ'ল ?

(খ) সুলেখাই প্ৰেৰণাৰ চাইনীজ পোলাও কিয় নাখালে ?

(গ) বিধায়কজনে প্ৰেৰণাক কিয় সন্মানিত কৰিলে ?